# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-11-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::::::::::

১। অসমৰ পাঁচটা বিধানসভা সমষ্টিত পৰহিলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৫ বজাত সামৰণি। অন্তিম সময়ছোৱাত ভোটদাতাৰ মন জয় কৰিবলৈ ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ আপ্ৰাণ প্ৰয়াস।

২। জনজাতিকৰণ প্ৰক্ৰিয়া সন্দৰ্ভত কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামৰ মন্তব্যৰ প্ৰতিবাদত আজি আহ্বান দিয়া ১২ ঘণ্টীয়া তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলা বন্ধৰ তিনিচুকীয়া জিলাত মিশ্ৰিত সঁহাৰি।

৩। ন্যায়াধীশ সঞ্জীৱ খান্নাৰ আজি ভাৰতৰ নতুন মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ।

৪। অসমৰ অসামৰিক বিষয়াসকলৰ কৰ্মদক্ষতা বৃদ্ধিৰ উদ্দেশ্যে অসম চৰকাৰ আৰু কেন্দ্ৰীয় সামৰ্থবৰ্ধন আয়োগৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত।

*আৰু*

৫। অহা ১৫ আৰু ১৬ নৱেম্বৰত নতুন দিল্লীত প্ৰথম বড়োলেণ্ড মহোৎসৱ। মহোৎসৱত প্ৰধানমন্ত্ৰীৰ অংশগ্ৰহণ।

০০০

অসমৰ পাঁচটা বিধানসভা সমষ্টিত পৰহিলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি কিছুসময় পূৰ্বে সামৰণি পৰিছে। নিৰ্বাচনী প্ৰচাৰৰ আজি অন্তিম দিনটোত শেষবাৰৰ বাবে ভোটদাতাৰ মন আকৰ্ষণ কৰিবলৈ সৰ্বাত্মক প্ৰচেষ্টা চলাই আৰু প্ৰচাৰ অভিযানৰ উত্তাপ যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হয়।

মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ সমৰ্থনত মহিলা মৰ্চাই উলিওৱা শোভাযাত্ৰা আনুষ্ঠানিকভাৱে মুকলি কৰে। মন্ত্ৰী অতুল বাৰৰ লগতে ভালেসংখ্যক বিজেপি আৰু অগপৰ কৰ্মীয়ে এই নিৰ্বাচনী সমদলত অংশ লয়। লগতে মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে সমষ্টিটোৰ বিভিন্ন ব্যৱসায়ীৰ সৈতে মত বিনিময় কৰি অন্তিমবাৰৰ বাবে নিৰ্বাচনী প্ৰচাৰ চলায়।

মন্ত্ৰী বিমল বৰাই চামগুৰি সমষ্টিত বিজেপি প্ৰাৰ্থী দিপ্লু ৰঞ্জন শৰ্মাৰ সমৰ্থনত নিৰ্বাচনী সমদলত অংশ লয়। সাংসদ ৰকিবুল হুছেইনে চামগুৰি সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী তানজিল হুছেইনৰ হৈ শেষবাৰৰ বাবে প্ৰচাৰত অংশ লয়। ইয়াৰ লগতে ভালেসংখ্যক দলীয় সমৰ্থকক লৈ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত সমদল উলিওৱা হয়। সমষ্টিটোত আম আদমী পাৰ্টীৰ দলীয় প্ৰাৰ্থী নুৰুল আমিন চৌধুৰীৰ হৈ দলটোৰ উত্তৰ-পূৰ্বাঞ্চলৰ তত্বাৱধায়ক ৰাজেশ শৰ্মা আৰু ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে প্ৰচাৰ চলায়। আপৰ নিৰ্বাচনী কাৰ্যালয়ত সংবাদ মেল অনুষ্ঠিত কৰি সমষ্টিবাসীৰ বাবে দলটোৰ নেতাসকলে ৫টা গেৰাণ্টি সম্বলিত পত্ৰিকা মুকলি কৰে। মন্ত্ৰী পীযুষ হাজৰিকাই বিহালী সমষ্টিত বিজেপিৰ প্ৰাৰ্থী দিগন্ত ঘাটোৱালৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বিজেপি প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাসৰ হৈ ধলাই সমষ্টিৰ আইৰংমাৰাত এটা পদযাত্ৰাত অংশগ্ৰহণ কৰে। সমষ্টিটোত কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি পুৰকায়স্থৰ হৈ কংগ্ৰেছ কৰ্মকৰ্তাসকলে শোভাযাত্ৰা উলিয়াই। ইপিনে নিৰ্দলীয় প্ৰাৰ্থীসকলেও সমষ্টিৰ ভিন্ন প্ৰান্তত ভোটদাতাসকলৰ পৰা শেষবাৰৰ বাবে ভোট বিচাৰি প্ৰচাৰ চলায়।

পৰহিলৈ হ'বলগীয়া এই উপ-নিৰ্বাচনত মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিৰ বাবে ১১ গৰাকী, চিদলী আসনখনৰ বাবে ৩ গৰাকী, বিহালী আসনখনৰ বাবে ৪ গৰাকী প্ৰাৰ্থী আৰু বঙাইগাঁও আসনৰ বাবে ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ১০ লাখতকৈও অধিক ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। কংগ্ৰেছ আৰু এন ডি এ-য়ে আটাইকেইখন আসনত প্ৰতিদ্বন্দ্বিতা কৰিছে।

এই উপ-নিৰ্বাচন নিৰ্বিঘ্নে অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। বিভিন্ন জিলা আয়ুক্তই এই সমষ্টিকেইটাৰ অন্তৰ্গত অঞ্চলসমূহত আজিৰ পৰা ১৩ নৱেম্বৰৰ বিয়লি পাঁচ বজালৈ সুৰা নিষিদ্ধ কৰিছে।

নগাঁও জিলাৰ চামগুৰি সমষ্টিত এইবাৰ নিৰ্বাচনী পৰ্যৱেক্ষকসকলৰ দৃষ্টি ঘাইকৈ নিবদ্ধ হৈছে। এই সম্পৰ্কত আমাৰ বিশেষ সংবাদদাতা **ৰাজীৱ লোচন বৰঠাকুৰে** খন্তেক সময় পূৰ্বে আমাৰ নগাঁৱৰ সংবাদদাতা মুনিন্দ্ৰ শইকীয়াৰ সৈতে সমষ্টিটোৰ নিৰ্বাচনী দৃশ্যপট সম্পৰ্কত হোৱা কথা-বতৰাৰ এয়া কিয়দংশ—

***(ভইচ)***

০০০

ৰাজ্যিক নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে জনপ্ৰতিনিধিত্ব আইনৰ ১২৬ ধাৰা অনুসৰি ৫টা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ সমাপ্ত হোৱাৰ ৪৮ ঘণ্টাৰ আগতে ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে নিৰ্বাচনী প্ৰচাৰ সম্পন্ন কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছে। এই নিৰ্দেশ অনুসৰি আজি সন্ধিয়া ৫ বজাৰ পৰা কোনো লোকে প্ৰচাৰ সম্বন্ধীয় সভাক, শোভাযাত্ৰা আদি অনুষ্ঠিত কৰিব নোৱাৰিব। লগতে জনসমাগমত নিৰ্বাচনী চলোৱাৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নিৰ্দেশনা অনুসৰি টেলিভিছন, চিনেমেট'গ্ৰাফ বা অন্য তেনে কোনো মাধ্যমত নিৰ্বাচনী প্ৰচাৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই সময়ছোৱাত কোনো ধৰণৰ সাংস্কৃতিক অনুষ্ঠান, নাট্যানুষ্ঠান বা যি কোনো মনোৰঞ্জনধৰ্মী অনুষ্ঠানৰ জৰিয়তে নিৰ্বাচন সম্পৰ্কীয় প্ৰচাৰেৰে জনসাধাৰণক প্ৰভাৱিত কৰিব নোৱাৰিব। ইয়াৰ উপৰি ছপা, বৈদ্যুতিন বা আন কোনো মাধ্যমত নিৰ্বানচী সমীক্ষা প্ৰকাশ, প্ৰচাৰ কৰিব নোৱাৰিব। জ্যোতিষীৰ ভৱিষ্যতবাণী, ৰাজনৈতিক বিশ্লেষণ আদি প্ৰচাৰ আৰু প্ৰকাশতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০

অসমৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰক্ৰিয়া সন্দৰ্ভত কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামৰ মন্তব্যৰ প্ৰতিবাদত মৰাণ ছাত্ৰ সন্থা, মটক যুৱ ছাত্ৰ সন্মিলনে আজি আহ্বান দিয়া ১২ ঘণ্টীয়া তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলা বন্ধৰ আজি বিয়লি ৫ বজাত সামৰণি পৰে। তিনিচুকীয়া জিলাত এই বন্ধৰ ব্যাপক প্ৰভাৱ পৰে যদিও ডিব্ৰুগড় জিলাত এই বন্ধৰ আহ্বানে আংশিক সঁহাৰিহে লাভ কৰে। আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে, জিলা সদৰ তিনিচুকীয়া নগৰকে ধৰি জিলাখনৰ বিভিন্ন ঠাইত আজি পথত বাহনৰ চলাচল কম হয় আৰু দোকান-বজাৰ বন্ধ হৈ পৰে। অৱশ্যে চৰকাৰী কাৰ্যালয়, বেংক আৰু জৰুৰীকালীন সেৱাসমূহ স্বাভাৱিকভাৱে চলি থাকে। তিনিচুকীয়া জিলা প্ৰশাসনে এই বন্ধৰ পৰিপ্ৰেক্ষিতত জিলাখনত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত অকৰ্তৃত্বশীলভাৱে বন্ধৰ আহ্বান জনোৱা, পথ অৱৰোধ কৰাকে ধৰি নাগৰিকৰ দৈনন্দিন কামত বাধা আৰোপ কৰা আদি সম্পূৰ্ণ নিষিদ্ধ কৰিছিল যদিও বন্ধৰ সমৰ্থকসকলে নিষেধাজ্ঞা অমান্য কৰি পথ অৱৰোধ কৰিবলৈ চেষ্টা চলায়। অৱশ্যে আৰক্ষী বাহিনীয়ে অৱৰোধকাৰীসকলক খেদি পঠিয়ায়।

০০০

ন্যায়াধীশ সঞ্জীৱ খান্নাই আজি ভাৰতৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত লয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত এটা বিশেষ অনুষ্ঠানত ন্যায়াধীশ খান্নাক গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। নতুন মুখ্য ন্যায়াধীশগৰাকীয়ে অহা বছৰ মে'ৰ মাজভাগলৈকে ভাৰতৰ মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰিব। উল্লেখযোগ্য যে শ্ৰী খান্না ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ স্থলাভিষিক্ত হৈছে। ১৯৬০ চনৰ ১৪ মে'ত জন্মগ্ৰহণ কৰা ন্যায়াধীশ সঞ্জীৱ খান্নাই ১৯৮৩ চনত দিল্লী বাৰ কাউন্সিলত অধিবক্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল। তেওঁক ২০০৫ চনত দিল্লী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে দায়িত্ব প্ৰদান কৰা হৈছিল। ২০১৯ চনত ন্যায়াধীশ খান্নাই উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। উচ্চতম ন্যায়ালয়ৰ কেইবাটাও গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰাৰ ক্ষেত্ৰত ন্যায়াধীশ সঞ্জীৱ খান্নাই ভূমিকা গ্ৰহণ কৰিছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ন্যায়াধীশ খান্নাক দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। তেওঁ লগতে ন্যায়াধীশগৰাকীৰ কাৰ্যকালৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

০০০

ৰাজ্যখনৰ অসামৰিক সেৱাৰ বিষয়াসকলৰ সামৰ্থবৰ্ধনৰ লক্ষ্যৰে আজি অসম চৰকাৰ আৰু কেন্দ্ৰীয় সামৰ্থবৰ্ধন আয়োগ অৰ্থাৎ চি বি চি আৰু কৰ্মযোগী ভাৰত অৰ্থাৎ এছ পি ভিৰ মাজত এখন ত্ৰিপাক্ষিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। আজি অসম সচিবালয়ত স্বাক্ষৰিত এই ত্ৰিপাক্ষিক চুক্তিৰ অধীনত অসমৰ অসামৰিক সেৱাৰ বিষয়াসকলক নীতি-নিৰ্দেশনামূলক ভূমিকাৰ পৰিৱৰ্তে কৰ্ম নিৰ্ধাৰকৰ ভূমিকা লোৱা আৰু তথ্য প্ৰযুক্তিৰ ব্যৱহাৰেৰে কৰ্ম দক্ষতা বৃদ্ধিৰ প্ৰয়াস চলোৱা হ'ব।

অসম চৰকাৰৰ হৈ মুখ্য সচিব ড০ ৰবি কোটা আৰু কৰ্মযোগী ভাৰতৰ মুখ্য কাৰ্যবাহী বিষয়া ভি. ললিতা লক্ষ্মীয়ে এই চুক্তিত স্বাক্ষৰ কৰে।

০০০

নতুন দিল্লীত অহা অহা ১৫ আৰু ১৬ নৱেম্বৰত প্ৰথমবাৰৰ বাবে বড়োলেণ্ড মহোৎসৱৰ আয়োজন কৰা হৈছে। নিখিল বড়ো ছাত্ৰ সন্থা, বড়ো সাহিত্য সভা, গান্ধী হিন্দুস্তান সাহিত্য সভা আৰু বড়ো সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত তথা বিটিআৰ প্ৰশাসনৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। ১৫ নৱেম্বৰত এই মহোৎসৱ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিব বুলি খানাপাৰাত আয়োজিত এখন সংবাদমেলত নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দীপেন বড়োয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বড়োভূমিৰ কলা-সংস্কৃতি, ভাষা সাহিত্যৰ ভিন্ন দিশ প্ৰতিফলিত কৰাৰ উপৰি অঞ্চলটোৰ প্ৰতিষ্ঠা হোৱা শান্তিৰ পৰিবেশ চিৰস্থায়ী কৰাৰ লক্ষ্যৰে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত হ'বলগীয়া এই মহোৎসৱত প্ৰধানমন্ত্ৰীৰ লগতে মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। আনহাতে ১৬ নৱেম্বৰত বড়ো সাহিত্য সভাৰ ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হ'ব। এই উপলক্ষে ৰাজঘাটৰ পৰা ইণ্ডিয়া গেটলৈ বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। সেইদিনা বিয়লি হ'বলগীয়া শিক্ষা সম্পৰ্কীয় আলোচনাচক্ৰত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ লগতে কেইবাগৰাকীও ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। বিয়লি ৫ বজাত সাংসদ ৰণগৌৰা নাৰ্জাৰীৰ অধ্যক্ষতাত সংস্কৃতি আৰু পৰ্যটন বিষয়ত আলোচনা অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত উত্তৰ-পূৱ উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী প্ৰমুখ্যে

বহুলোকে অংশগ্ৰহণ কৰিব। সন্ধিয়াৰ ভাগত সাংস্কৃতিক অনুষ্ঠান, কেন্দ্ৰীয় জনজাতি  পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জুৱেল ওৰামে উদ্বোধন কৰিব বুলি শ্ৰীবড়োৱে আজি সংবাদমেলত প্ৰকাশ কৰে।

বাইট দীপেন বড়ো

০০০

গোৱাত অহা ২০ নৱেম্বৰৰ পৰা ৫৫ সংখ্যক ভাৰত আন্তৰ্ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আয়োজন কৰা হৈছে। আজি নতুন দিল্লীত এই উপলক্ষে আয়োজিত সংবাদমেলত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগানে কয়, যে আন্তৰ্ৰাষ্ট্ৰীয় পৰ্যায়ৰ অন্যতম বৃহৎ চলচ্চিত্ৰ মহোৎসৱৰ প্ৰতি দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ চলচিত্ৰ নিৰ্মাতা আৰু দৰ্শকৰ বিপুল সঁহাৰি পৰিলক্ষিত হৈছে। আজিৰ সংবাদমেলত তথ্য আৰু  সম্প্ৰচাৰ দপ্তৰৰ সচিব সঞ্জয় ৰাজুৱে কয়, যে যুৱ চলচ্চিত্ৰ নিৰ্মাতা - ভৱিষ্যত সমাগত শীৰ্ষক  বিষয়েৰে আয়োজন কৰা এইবাৰৰ মহোৎসৱত যুৱ চলচ্চিত্ৰ নিৰ্মাতাসকলৰ চলচ্চিত্ৰৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

এই মহোৎসৱৰ বাবে ১০১ খন ৰাষ্ট্ৰৰ পৰা এহেজাৰ ৬৭৬ খন চলচ্চিত্ৰ প্ৰেৰণ কৰা হৈছিল যদিও ইয়াৰ ভিতৰত ৮১ খন ৰাষ্ট্ৰৰ ১৮০ খন চলচ্চিত্ৰই মহোৎসৱৰ বাবে বাচনি লাভ কৰিছে।

০০০

দৰং জিলাৰ মঙলদৈৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আজি কেৰিয়াৰ পৰামৰ্শ ২০২৪ শীৰ্ষক এটা জিলা পৰ্যায়ৰ কেৰিয়াৰ পৰামৰ্শদান অনুষ্ঠান অনুষ্ঠিত হয়। জিলাখনৰ শিক্ষিত যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ উপযুক্ত পথৰ সন্ধান দিয়াৰ লক্ষ্যৰে জিলা নিয়োগ বিনিময় কেন্দ্ৰই এই কাৰ্যসূচী গ্ৰহণ কৰে। জিলাখনৰ মহাবিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ্থীকে ধৰি তিনি শতাধিক যুৱক-যুৱতীয়ে এই কাৰ্যসূচীত অংশ লয়। অসম দক্ষতা বিশ্ববিদ্যালয় আৰু গ্ৰামীন আত্মসংস্থাপন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ লগতে দেশৰ কেইবাটাও আগশাৰীৰ ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানৰ বিষয়ববীয়াই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। যুৱক-যুৱতীসকলে শিক্ষাগত অৰ্হতা, আগ্ৰহ, বয়স আদিৰ ভিত্তিত কিদৰে বৃত্তি নিৰ্বাচন কৰিব লাগে সেই সন্দৰ্ভত অনুষ্ঠানটোত সমল ব্যক্তিসকলে পৰামৰ্শ আগবঢ়ায়।

০০০

গোলাঘাট জিলাৰ দেৰগাওঁ সাহিত্য সভাৰ শতবৰ্ষ অনুষ্ঠানৰ লগত সংগতি ৰাখি দুশৰো অধিক গ্ৰন্থ উন্মোচনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ অংশ হিচাপে আজি দেৰগাওঁৰ মীনধৰ নাথ প্ৰেক্ষাগৃহত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ এঘাৰখন গ্ৰন্থ উন্মোচন কৰা হয়।

০০০

শিৱসাগৰৰ নগৰৰ ষ্টেছন চাৰিআলীৰ টাই আহোম সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ খেলপথাৰত আজি ৰাইজৰ দলৰ সদস্যভৰ্তি কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ উপস্থিতিত আজি বিভিন্ন দল সংগঠনৰ ৫০০ ৰো অধিক নেতাকৰ্মীয়ে দলটোত যোগদান কৰে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০

সমাপ্ত